তুমি এইটো প্ৰত্যেক নামাজৰ পিছত কেতিয়াও ক'বলৈ নাপাহৰিবা, এইদৰে ক'বাঃ "আল্লাহুম্মা আ-ইন্নী আলা জিকৰিকা, অশ্বুকৰিকা, অহুছনি ইবাদাতিক।

মুআজ বিন জাবাল ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে তেওঁৰ হাতত ধৰি ক'লেঃ হে মুআজ! আল্লাহৰ শপত, মই তোমাক অত্যন্ত ভালপাওঁ। ইয়াৰ পিছত তেখেতে ক'লেঃ হে মুআজ! মই তোমাক এটা উপদেশ দিওঁ, তুমি এইটো প্ৰত্যেক নামাজৰ পিছত কেতিয়াও ক'বলৈ নাপাহৰিবা, এইদৰে ক'বাঃ "আল্লাহুম্মা আ-ইন্নী
আলা জিকৰিকা, অশ্বুকৰিকা, অহুছনি ইবাদাতিক।" [رواه أبو داود والنسائي وأحمد] [ছহীহ[

হাদীছটোত উল্লেখ হৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মুআজ ৰাদ্বিয়াল্লাহু আনহুৰ হাতত ধৰি তেওঁক কৈছিলঃ আল্লাহৰ শপত, মই তোমাক বহুত ভালপাওঁ। মই তোমাক এটা উপদেশ দিওঁ, তুমি এই দুআটো প্ৰত্যেক নামাজৰ পিছত পাঠ কৰিবা, কেতিয়াও নেৰিবাঃ (আল্লাহুম্মা আ-ইন্নী আলা জিকৰিকা) অৰ্থাৎ হে আল্লাহ! প্ৰত্যেক নেক কথা আৰু নেক কৰ্মৰ জৰিয়তে তোমাক স্মৰণ কৰিবলৈ মোক সহায় কৰা। (অশ্বুকৰিকা) অৰ্থাৎ তুমি প্ৰদান কৰা সকলো নিয়ামতৰ চুকৰিয়া আদায় কৰিবলৈ সহায় কৰা। (অহুছনি ইবাদাতিক) অৰ্থাৎ ইখলাচ আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পদ্ধতি মুতাবিক সুন্দৰভাৱে ইবাদত কৰিবলৈ সহায় কৰা।

http://sunnah.global/hadeeth/as/show/3518